ডব্লিউপি (চি) ২১৪৫/২০১৬

মাননীয় ন্যায়াধীশ শ্ৰীযুত উজ্জ্বল ভুঞাৰ বিচাৰপীঠত

আবেদনকাৰীৰ পৰামৰ্শদাতা জে এম কোঁৱৰ আৰু অসমৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ স্থায়ী পৰামৰ্শদাতা শ্ৰী জে এম এ চৌধুৰীৰ যুক্তি শুনা হ’ল।

ভাৰতৰ সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ অধীনত এই আবেদন দাখিল কৰি আবেদনকাৰীয়ে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ তথা মুখ্য অধীক্ষকৰ (উত্তৰদাতা নম্বৰ ৪) ২৬-০২-২০১৬ তাৰিখৰ পৰামৰ্শ বাতিল কৰিবলৈ অনুৰোধ কৰিছে আৰু চৰকাৰক আবেদনকাৰীয়ে বিচৰা শিশু পৰিচৰ্যা কৰিবলৈ লোৱা ছুটী সৰ্বাধিক এক মাহত সীমাবদ্ধ কৰিবলৈ অনুৰোধ কৰিছে। পৰৱৰ্তী প্ৰাৰ্থনাটো হ'ল প্ৰতিবাদীয়ে আবেদনকাৰীয়ে বিচৰা ১৮৪ দিনৰ শিশু পৰিচৰ্যা কৰা ছুটিত অনুমোদন দিয়াৰ আদেশ প্ৰদান কৰা।

আবেদনকাৰীৰ গোচৰটো হ'ল যে তেওঁ যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ এনাটমীৰ সহকাৰী অধ্যাপক হিচাপে কৰ্মৰত। আবেদনকাৰী বিবাহিত আৰু তেওঁৰ স্বামী ডাঃ অলোক জ্যোতি মালাকাৰে বৰ্তমান গুৱাহাটী মেডিকেল কলেজ আৰু চিকিৎসালয়ত কাৰ্ডিঅ'লজিৰ ডি এম ডিগ্ৰীৰ ছাত্ৰ। ১৫.১১.২০১৩ তাৰিখে দম্পতীহালৰ এটি সন্তান জন্ম হয়। গতিকে, আবেদনকাৰীক ১৩৫ দিনৰ বাবে প্ৰসূতিকালীন ছুটী মঞ্জুৰ কৰা হৈছিল। প্ৰসূতিকালীন ছুটি লাভ কৰাৰ পিছত আবেদনকাৰীয়ে পুনৰ কৰ্তব্যত যোগদান কৰে। আবেদনকাৰী মতে, শিশুটিৰ বয়স মাত্ৰ ২ বছৰ হোৱাৰ বাবে, শিশুটিৰ চোৱাচিতা কৰিবলৈ তেওঁক যথেষ্ট সময়ৰ প্ৰয়োজন হ’ব আৰু সম্পূৰ্ণ সময়ৰ কৰ্তব্য পালন কৰি তেওঁ শিশুটিক যাৱতীয় পৰিচৰ্যা কৰিব

নোৱাৰিব। এনে পৰিস্থিতিত, তেওঁ প্ৰতিবাদী পক্ষৰ অৰ্থাৎ প্ৰতিবাদী নম্বৰ ৪ অৰ্থাৎ যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধ্যক্ষ তথা মুখ্য অধীক্ষকৰ জৰিয়তে ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ওচৰত ৬ মাহৰ বাবে শিশু পৰিচৰ্যা কৰাৰ ছুটী বিচাৰি ০৪-১২-২০১৫ তাৰিখত এখন আবেদন দাখিল কৰে। দেখা গৈছে যে অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ (বি) বিভাগৰ উপ-সচিবে ২৫.০২.২০১৬ তাৰিখে প্ৰতিবাদী নম্বৰ ৪ লৈ পত্ৰ লিখি স্পষ্টীকৰণ বিচাৰিছিল যে আবেদনকাৰীৰ এনে ছুটীৰ প্ৰাৰ্থনাত অনুমোদন জনালে নতুন মেডিকেল কলেজৰ কাম-কাজত ব্যাঘাত জন্মিব নেকি।এই সংক্ৰান্তে প্ৰতিবাদী নম্বৰ ৪ য়ে তেওঁৰ ২৬.০২-২০১৬ তাৰিখৰ বিতৰ্কিত যোগাযোগৰ জড়িয়তে উপ-সচিবক জনায় যে যোৰহাট চিকিৎসা মহাবিদ্যালয় চিকিৎসকৰ অভাৱৰ সন্মুখীন হৈছে আৰু এনে দীঘলীয়া ছুটীৰ অনুমোদনে চিকিৎসা মহাবিদ্যালয়খনৰ কাম-কাজত ব্যাঘাত জন্মাব। সেয়েহে, চৰকাৰক বিষয়টোৰ ওপৰত পুনৰ বিবেচনা কৰি আবেদনকাৰীক সৰ্বাধিক এক মাহৰহে ছুটী প্ৰদান কৰাৰ পৰামৰ্শ দিয়া হয়।

৪-৪-২০১৬ তাৰিখৰ এই গোচৰৰ জাননীত এই মন্তব্য প্ৰদান কৰা হৈছিল যে লেখ আবেদনৰ গোচৰ চলি থকাটোৱে প্ৰতিবাদীৰ বাবে শিশু পৰিচৰ্যা কৰা ছুটীৰ বাবে আবেদনকাৰীৰ প্ৰাৰ্থনা বিবেচনা কৰাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি নকৰিব।

যদিও প্ৰতিবাদীয়ে কোনো শপতনামা দাখিল কৰা নাই, স্থায়ী পৰামৰ্শদাতা শ্ৰী চৌধুৰীয়ে উল্লেখ কৰে যে আবেদনকাৰীয়ে শিশু পৰিচৰ্যা কৰাৰ ছুটী এক অধিকাৰ হিচাপে দাবী কৰিব নোৱাৰে।শিশু পৰিচৰ্যা কৰাৰ ছুটী প্ৰদান কৰাৰ সময়ত, কৰ্তৃপক্ষই প্ৰশাসনিক প্ৰয়োজনীয়তাসমূহ বিবেচনা কৰিব লাগিব। এনে দীঘলীয়া ছুটী প্ৰদান কৰিলে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ শৈক্ষিক সূচীত বিশৃংখলতাৰ সৃষ্টি হ'ব পাৰে। অৱশ্যে, আদালতৰ এটা প্ৰশ্নৰ উত্তৰত, স্থায়ী

পৰামৰ্শদাতা শ্ৰীযুত চৌধুৰীয়ে মন্তব্য  কৰে যে চৰকাৰে এতিয়াও এই  ক্ষেত্ৰত চূড়ান্ত  সিদ্ধান্ত গ্ৰহণ কৰা নাই।

অসম চৰকাৰৰ বিত্ত বিভাগে ৩১-০৭-২০১৫ তাৰিখে শিশু পৰিচৰ্যা কৰাৰ ছুটী প্ৰদান সম্পৰ্কীয় জাননী  জাৰি কৰিছিল। লেখ আবেদনৰ সংলগ্নিত তথ্য-৫ হিচাপে গাঁঠি দিয়া উক্ত জাননীখনৰ পৰ্য্যালোচনা কৰিলে দেখা যাব যে অসম চৰকাৰে ৰাজ্য চৰকাৰৰ মহিলা কৰ্মচাৰীসকলক শিশু পৰিচৰ্যা কৰা ছুটী অনুমোদন কৰাৰ সিদ্ধান্ত লৈছে। এনে সিদ্ধান্তৰ পিছত, এনে শিশু পৰিচৰ্যা  কৰাৰ বাবে লোৱা ছুটীৰ ব্যৱস্থা কৰা মৌলিক বিধি আৰু  উপবিধিত (এছ. আৰ.) ১২১ (২) বিধি অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াত কোৱা হৈছে যে নিৰ্দিষ্ট কৰ্তৃপক্ষই ১৮ বছৰ বয়স সম্পূৰ্ণ নোহোৱা  নাবালক সন্তান থকা মহিলা কৰ্মচাৰীসকলক সমগ্ৰ চাকৰি কালত দুটি সন্তানৰ পৰীক্ষা বা ৰোগজনিত সময়ত প্ৰয়োজন হোৱা যত্নৰ বাবে  সৰ্বাধিক ২ বছৰৰ (৭৩০ দিন)ৰ বাবে ছুটীত অনুমোদন কৰিব পাৰিব। গতিকে এনে ছুটী মঞ্জুৰ এগৰাকী মহিলা কৰ্মচাৰীৰ নাবালক সন্তানক চোৱা-চিতা কৰাৰ সৈতে জড়িত।

৩১-০৭-২০১৫ তাৰিখৰ অধিসূচনাত আহৰণ কৰা এছ. আৰ. ১২১ (২) ত এইটোও উল্লেখ কৰা হৈছে যে এনে ছুটী একাধিক বাৰ ল'ব পাৰি।যদি মঞ্জুৰযোগ্য হয় তেন্তে এনে ছুটী যিকোনো ধৰণৰ ছুটীৰ সৈতে একেলগে ল'ব পাৰিব আৰু এনে ছুটী তৃতীয় বছৰলৈকো সম্প্ৰসাৰিত কৰিব পাৰিব কিন্তু সেই ছুটীৰ কালত কৰ্মচাৰীগৰাকী দৰমহাৰ পৰা বঞ্চিত  হ'ব। শিশু পৰিচৰ্যাৰ ছুটীৰ  প্ৰকৃতি হ'ব আৰ্জিত ছুটিৰ দৰে কিন্তু সেই ছুটী তেওঁলোকৰ জমা ছুটীৰ পৰা কাটিব নোৱাৰিব। অৱশ্যে, শিশু পৰিচৰ্যাৰ ছুটী অধিকাৰ হিচাপে দাবী কৰিব নোৱাৰিব আৰু এগৰাকী  কৰ্মচাৰীয়ে  কৰ্তৃপক্ষৰ দ্বাৰা পূৰ্ব অনুমোদন অবিহনে এনে ছুটীত যাব নোৱাৰিব। ৩১-০৭-২০১৫ তাৰিখৰ জাননীত উল্লেখ কৰা এছ. আৰ. ১২১ (২)

-এ মহিলা কৰ্মচাৰীসকলক সন্তানে প্ৰাপ্তবয়স্কতা লাভ নকৰালৈকে তেওঁলোকৰ সন্তানৰ যত্ন ল'বলৈ অনুমতি দিয়ে। এছ. আৰ. ১২১ (২) (গ) বিধি অনুসৰি দেখা গ'ল যে শিশু পৰিচৰ্যাৰ বাবে লাভ কৰিব পৰা ছুটী এবাৰতকৈ বেছি ল'ব পাৰি, গতিকে ইয়াৰ অৰ্থ হ'ল যে এই ছুটী হয় একেবাৰতে ল'ব পাৰি, নহয় একাধিকবাৰ ল'ব পাৰি। ছুটিটো কেনেদৰে লাভ কৰিব সেয়া মহিলা কৰ্মচাৰীৰ বিবেচনা ওপৰত এৰি দিয়া হৈছে, তেৱেঁই নিশ্চিতভাৱে শিশুৰ সৰ্বোত্তম স্বাৰ্থৰ বাবে এই ছুটী কেনেদৰে সৰ্বশ্ৰেষ্ঠভাৱে ব্যৱহাৰ কৰিব লাগে সেই কথা নিৰ্ণয় কৰিব পাৰিব।

এইটো এটা লাভজনক ব্যৱস্থা আৰু কাৰ্যকৰী কৰাৰ লগে লগে, কৰ্তৃপক্ষৰ হাতত ই এক সঠিক ৰূপ লাভ কৰিব। ভাৰতৰ সংবিধানৰ ৪২ নং অনুচ্ছেদ, যি ৰাজ্যিক নীতিৰ এক নিৰ্দেশাত্মক নীতি, ইয়াত উল্লেখ কৰা হৈছে যে ৰাজ্যই কামৰ ন্যায়সংগত আৰু মানৱীয় পৰিস্থিতি সুৰক্ষিত কৰাৰ বাবে আৰু মাতৃত্বকালীন ছুটিৰ বাবে নীতি প্ৰস্তুত কৰিব। পুৰুষ আৰু মহিলাৰ সমতা আমাৰ সংবিধানৰ আধাৰশিলা। মহিলা কৰ্মচাৰীসকলক কামৰ বাবে মানৱীয় পৰিস্থিতি প্ৰদান সুনিশ্চিত কৰাৰ বাবে চেষ্টা কৰা উচিত। ভাৰতীয় পৰিপ্ৰেক্ষিতত, এই বুলি কোৱাটো বাহুল্য নহ'ব যে পৰিয়ালত মহিলা সদস্যসকলেই বেছিভাগ শিশুৰ লালন-পালনৰ দায়িত্ব বহন কৰে। মহিলা কৰ্মচাৰীৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে বিষয়টোৰ এই দিশটোক উপেক্ষা কৰিব নোৱাৰি। কোৱা হয় যে শিশুসকল দেশৰ ভৱিষ্যত। সেয়েহে, ডাঙৰ দীঘল হোৱাৰ সময়ছোৱাত তেওঁলোকৰ শাৰীৰিক, আৱেগিক আৰু শৈক্ষিক প্ৰয়োজনীয়তাৰ প্ৰতি যত্ন লোৱাটো অতিশয় গুৰুত্বপূৰ্ণ । ওপৰোক্ত দিশসমূহৰ পৰিপ্ৰেক্ষিতত মৌলিক নীতি আৰু উপবিধিসমূহৰ (এফ. আৰ. এণ্ড. এছ. আৰ.) ৰ এছ. আৰ. ১২১ (২) ৰ ব্যৱস্থাসমূহ বিবেচনা কৰাটো প্ৰয়োজনীয়। তদুপৰি, জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ সুৰক্ষাৰ সৈতে সম্পৰ্কিত সংবিধানৰ ২১

নং অনুচ্ছেদক কেইবাটাও ৰায়দানত উচ্চতম ন্যায়ালয়ে এক সম্প্ৰসাৰিত অৰ্থ প্ৰদান কৰিছে।২১ নং অনুচ্ছেদৰ গুৰুত্বপূৰ্ণ কথাটো হ'ল যে এজন ব্যক্তিৰ মানুহ হিচাপে মৰ্য্যাদাৰে জীৱন যাপন কৰাৰ অধিকাৰ আছে। জীৱনৰ অধিকাৰত মানৱ সভ্যতাৰ সূক্ষ্মতম দিশসমূহ অন্তৰ্ভুক্ত হৈ আছে; ২১ নং অনুচ্ছেদৰ অধীনত প্ৰদান কৰা জীৱনৰ অধিকাৰে কেৱল শাৰীৰিক অস্তিত্বকেই নহয়, জীৱনৰ মানদণ্ডকো সাঙুৰি লয় আৰু জীৱনৰ সেই দিশসমূহ সাঙুৰি লয় যি জীৱনক মান্যতা প্ৰদান কৰাৰ লগতে অৰ্থপূৰ্ণ আৰু সম্পূৰ্ণ কৰি তোলে। প্ৰতিটো শিশুৰ সম্পূৰ্ণ বিকাশৰ অধিকাৰক অনুচ্ছেদ ২১-ৰ এটা দিশ হিচাপে স্বীকৃতি দিয়া হৈছে। শিশু পৰিচৰ্যা কৰা ছুটিৰ ব্যৱস্থাটো আমাৰ সাংবিধানিক দৰ্শনৰ পটভূমিৰ সৈতে সংগতি ৰাখি বুজি পোৱা আৰু বিবেচনা কৰাটো প্ৰয়োজনীয়। যদিও এগৰাকী মহিলা কৰ্মচাৰীয়ে নিৰ্দিষ্ট কৰ্তৃপক্ষৰ পৰা প্ৰয়োজনীয় অনুমোদন লাভ নকৰাকৈ শিশু পৰিচৰ্যা কৰা ছুটীত যাব নোৱাৰে, কিন্তু নিশ্চিতভাৱে শিশু পৰিচৰ্যা কৰা ছুটীৰ ধাৰণাটো সম্পূৰ্ণৰূপে অনুচ্ছেদ ৪২ৰ সৈতে সামঞ্জস্যপূৰ্ণ আৰু সেয়েহে ইয়াক দাতব্য কাৰ্য হিচাপে গণ্য কৰা অনুচিত। সাধাৰণতে, এছ. আৰ. ১২১ (২) ত প্ৰদান কৰা ব্যৱস্থা অনুসৰি শিশু পৰিচৰ্যা কৰা ছুটী নাকচ কৰা উচিত নহয়। সেইথিনিলৈকে, প্ৰতিবাদী ৪-ৰ দ্বাৰা প্ৰকাশ কৰা মন্তব্যৰ এছ. আৰ. ১২১ (২) যোগে চৰকাৰে এফ. আৰ. আৰু এছ. আৰ.-ত সন্নিবিষ্ট কৰা দৃষ্টিভঙ্গীৰ কোনো মিল নাই যেন লাগে।

ওপৰোক্ত আলোচনাৰ প্ৰতি লক্ষ্য ৰাখি, প্ৰতিবাদী নম্বৰ ১ অৰ্থাৎ অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ (বি) বিভাগৰ আয়ুক্ত আৰু সচিবক ২৬-০২-২০১৬ত প্ৰতিবাদী নম্বৰ ৪-য়ে দিয়া বিতৰ্কিত মন্তব্যৰ দ্বাৰা প্ৰভাৱিত নোহোৱাকৈ বা বিবেচনা নকৰাকৈ আবেদনকাৰীক ৬ মাহৰ বাবে শিশু পৰিচৰ্যা কৰা ছুটী অনুমোদনৰ বিষয়টো বিবেচনা কৰিবলৈ নিৰ্দেশ দিয়া হ'ল। এই আদেশৰ প্ৰমাণিত

প্ৰতিলিপি পোৱাৰ তাৰিখৰ পৰা ৩০ দিনৰ ভিতৰত এই ক্ষেত্ৰত সিদ্ধান্ত লোৱা হওক আৰু সেই সিদ্ধান্ত আবেদনকাৰী জনোৱা হওক।

লেখ আবেদন নিষ্পত্তি কৰা হ'ল। খৰচৰ ক্ষেত্ৰত কোনো আদেশ নাই।